# দিছপুৰ মহাবিদ্যালয়ত গীতে-মাতে কলাগুৰুক সোঁৱৰণ

**গুৱাহাটী, ২০ জুন ঃ** দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত আজি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত কলাগুৰুৰ জীৱন, আদৰ্শ আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰাভা সংগীত, নৃত্য আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ লগতে ‘কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৃতি’ শীৰ্ষক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। লগতে তেওঁৰ অমৰ গীতসমূহ পৰিবেশনৰ জৰিয়তে তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট নাট্যকাৰ আৰু সংগীতশিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰী। তেওঁ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুমুখী প্ৰতিভা,



সমাজচেতনা আৰু সাংস্কৃতিক অৱদানৰ বিষয়ে আলোকপাত কৰে। সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক সশ্ৰদ্ধ স্মৰণ কৰি তেওঁৰ আদৰ্শ নতুন প্ৰজন্মৰ মাজত প্ৰসাৰিত কৰাৰ আহ্বান জনায়।